# 1 SEM FYUGP GECCOM1 (A/B/C/D)

**2024**

( December )

COMMERCE

( Generic Elective Course )

Paper : GECCOM1

*Full Marks* : 60 (80 for 2023 Batch)

*Time* : 2 hours (3 hours for 2023 Batch)

*The figures in the margin indicate full marks for the questions*

Paper : GECCOM1A

**( Fundamentals of Accounting )**

**1.** খালী ঠাই পূৰ কৰা : 1×4=4

Fill in the blanks :

*(a)* ৰাজহ প্ৰকৃতিৰ ব্যয় যি এটাতকৈ অধিক একাউন্টিং সময়ৰ বাবে লাভ প্ৰদান কৰে, তাক _____ বোলে।

Expenditure of a revenue nature that gives benefit for more than one accounting period is called as _____.

(b) স্বত্বাধিকাৰীয়ে ব্যৱসায় পৰা আহৰণ কৰা নগদ ধন _____ লৈ ক্ৰেডিট কৰা হয়।

Withdrawal of cash from business by the proprietor is credited to _____.

(c) সকলোবোৰ লোকচান লেখত ল'বা, _____ আগতীয়াকৈ প্ৰত্যাশা নকৰিবা।

Recognize all losses, anticipate no _____.

(d) IFRS ক _____ জাৰি কৰে।

IFRS is issued by _____.

2. শুদ্ধ উত্তৰটো বাছনি কৰা : 1×4=4

Choose the correct answer :

(a) হিচাপকৰণৰ নগদভিত্তি ভিতৰত, খৰচসমূহ নথিভুক্ত কৰা হয়

Under the cash basis of accounting, expenses are recorded

(i) পৰিশোধত

on payment

(ii) খৰচ হোৱা সময়ত

on incurred

(iii) (i) আৰু (ii) দুয়োটা

Both (i) and (ii)

(iv) ওপৰৰ এটাও নহয়

None of the above

(b) বেংক হিচাপ হৈছে এটা

Bank A/c is a

(i) ব্যক্তিগত হিচাপ

Personal A/c

(ii) বাস্তব হিচাপ

Real A/c

(iii) নামাংকৃত হিচাপ

Nominal A/c

(iv) ওপৰৰ এটাও নহয়

None of the above

(c) দ্বি-প্ৰৱিষ্টি হিচাপকৰণ পদ্ধতি হৈছে

The double-entry accounting system is

(i) এক হিচাপকৰণ পদ্ধতি যিতো সৰু ব্যৱসায়ৰ বাবে প্ৰয়োজন

an accounting system that is useful for small businesses

(ii) এক হিচাপকৰণ পদ্ধতি য'ত সকলো হিচাপকৰণ তথ্যৰ আগ্ৰহী জড়িত থাকে

an accounting system involving all the interested parties of accounting information

(iii) এটা হিচাপকৰণ পদ্ধতি যিতো ব্যৱসায়ৰ লেনদেনত দ্বৈত দিশত লিপিবদ্ধ কৰে

an accounting system in which business transactions are recorded from a dual aspect

(iv) এটা হিচাপকৰণ পদ্ধতি যিতো লেনদেনত এটা দিশত লিপিবদ্ধ কৰে

an accounting system in which transactions are recorded from a single aspect

(d) বেংক মিলনকৰণ বিবৃতি প্ৰস্তুত কৰে

Bank Reconciliation Statement is prepared

(i) চেকেৰে হোৱা পৰিশোধ জানিবলৈ

to know the payments made through cheques

(ii) পাছ বুকত হোৱা ভুলসমূহ জানিবলৈ

to know the errors in the passbook

(iii) নগদ বহী আৰু পাছ বুকৰ মাজত তুলনা কৰি পাৰ্থক্য উলিয়াবলৈ

to compare the cashbook with passbook and ascertain the difference

(iv) ওপৰৰ এটাও নহয়

None of the above

3. (a) ব্যৱসায় লেনদেনৰ সংজ্ঞা লিখা। 3

Define business transaction.

(b) তলত দিয়া তথ্যৰ পৰা অমিতৰ মূলধন হিচাপ প্ৰস্তুত কৰা : 3

Find the capital of Amit from the following data :

| | টকা (₹) |
|---|---|
| মুঠ সম্পত্তি<br>Total Assets | 5,00,000 |
| পাওনাদাৰ<br>Creditors | 1,50,000 |
| ঋণ<br>Loan | 1,00,000 |

4. (a) হিচাপকৰণৰ মূল আধাৰৰ বিষয়ে বৰ্ণনা কৰা। 5

Explain the bases of accounting.

(b) মুদ্ৰাৰ হিচাপত প্ৰকাশৰ ধাৰণাটো ব্যাখ্যা কৰা। 5

Explain the money measurement concept.

*(c)* 2023 চনৰ 31 মাৰ্চত অন্তপৰা বৰ্ষৰ আয়-ব্যয় হিচাপত ক্ৰেডিট কৰিবলগীয়া বৰঙণিৰ পৰিমাণ নিৰ্ণয় কৰা : 6

Calculate the amount of subscription to be credited to Income & Expenditure A/c for the year ended 31st March, 2023 :

*(i)* 31.03.2023 তাৰিখৰ ভিতৰত পোৱা বৰঙণিৰ পৰিমাণ—5,00,000 টকা

Subscription received during the year ended 31.03.2023—₹ 5,00,000

*(ii)* 01.04.2022 তাৰিখে থকা অপ্ৰদত্ত বৰঙণি—1,00,000 টকা

Outstanding subscription on 01.04.2022—₹ 1,00,000

*(iii)* 31.03.2023 তাৰিখে থকা অপ্ৰদত্ত বৰঙণি—70,000 টকা

Outstanding subscription on 31.03.2023—₹ 70,000

(iv) 01.04.2022 তাৰিখে অগ্ৰিম প্ৰাপ্ত বৰঙণি—50,000 টকা

Advance subscription on 01.04.2022—₹ 50,000

(v) 31.03.2023 তাৰিখে অগ্ৰিম প্ৰাপ্ত বৰঙণি—60,000 টকা

Advance subscription on 31.03.2023—₹ 60,000

**5.** (a) আয়-ব্যয় হিচাপ প্ৰস্তুত কৰোঁতে তলত দিয়া বিষয়সমূহৰ হিচাপ-সম্পৰ্কীয় ব্যৱস্থা চমুকৈ ব্যাখ্যা কৰা : 5

Explain in brief the treatment of the following items in preparation for the Income & Expenditure A/c :

(i) বৰঙণি

Subscription

(ii) আজীৱন সভ্য মাচুল

Life membership fee

(iii) সাধাৰণ বৰঙণি

General donation

(iv) বিশেষ বৰঙণি

Specific donation

(v) লিগেছি

Legacy

অথবা / Or

(b) ভৱিষ্য ব্যৱস্থা আৰু পুঁজিৰ মাজত থকা পাৰ্থক্য লিখা।

Distinguish between Provision and Reserve.

6. (a) নগদ বহী মানে কি? বিভিন্ন ধৰণৰ নগদ বহীসমূহ কি কি? 6

Define cashbook. What are the different types of cashbook?

অথবা / Or

(b) মিলন বিবৃতিৰ তিনিটা সুবিধা আৰু তিনিটা সীমাবদ্ধতা লিখা। 3+3=6

Write three advantages and three limitations of Trial Balance.

(c) মূলধন ব্যয় আৰু ৰাজহ ব্যয়ৰ মাজৰ ছটা পাৰ্থক্য ব্যাখ্যা কৰা। 6

Explain six distinctions between Capital Expenditure and Revenue Expenditure.

অথবা / Or

(d) এক-প্ৰৱিষ্টি পদ্ধতি আৰু দ্বি-প্ৰৱিষ্টি পদ্ধতিৰ মাজৰ ছটা পাৰ্থক্য উল্লেখ কৰা।

Mention six points of difference between Single-entry System and Double-entry System.

(e) বিত্তীয় প্ৰতিবেদন প্ৰস্তুত কৰোঁতে হিচাপকৰণ ধাৰণাৰ ভূমিকা আলোচনা কৰা। 6

Discuss the role of accounting concepts in the preparation of financial statements.

অথবা / Or

(f) হিচাপকৰণৰ নীতি মানে কি বুজা? সংৰক্ষণশীলতা নীতিটো ব্যাখ্যা কৰা। 3+3=6

What do you mean by accounting principles? Explain the conservatism principle.

**7.** (a) গুৱাহাটীত *KH*-এ 1 এপ্রিল, 2022 চনত 2,00,000 টকা দি ব্যৱসায় আৰম্ভ কৰিছিল। তলত দিয়া এপ্রিল মাহৰ লেনদেনসমূহ জাবেদা প্ৰৱিষ্টি দিয়া আৰু লগতে খতিয়ান তৈয়াৰ কৰা : 7

*KH* of Guwahati started business on 1st April, 2022 with cash of ₹ 2,00,000. Pass Journal Entries for the following transactions for the month of April and prepare Ledger A/cs for the same :

| তাৰিখ (*Date*) | | লেনদেন (*Transactions*) | টকা (₹) |
|---|---|---|---|
| এপ্রিল (April) | 1 | ৰাহুলৰ পৰা নগদ ধনেৰে বস্তু ক্ৰয় কৰা হ'ল<br>Purchased goods for cash from Rahul | 55,000 |
| " | 5 | বেংকত নগদ ধন জমা কৰা হ'ল<br>Deposited cash into bank | 80,000 |
| " | 10 | মোহনৰ পৰা আচবাব কিনা হ'ল<br>Bought furniture from Mohan | 1,00,000 |
| " | 15 | ৰাজীৱক বস্তু বিক্ৰয় কৰা হ'ল<br>Goods sold to Rajib | 30,000 |
| " | 20 | নগদ ধন ৰাজীৱৰ পৰা আদায় পোৱা হ'ল<br>Cash received from Rajib | 20,000 |
| " | 25 | বেংকৰ পৰা অফিচৰ ব্যৱহাৰৰ বাবে আহৰণ কৰা হ'ল<br>Drew from bank for office use | 10,000 |
| " | 30 | নগদ ধন মোহনক দিয়া হ'ল<br>Cash paid to Mohan | 20,000 |

অথবা / *Or*

(*b*) খতিয়ানৰ উপবিভাজন ব্যাখ্যা কৰা। জাবেদা আৰু খতিয়ানৰ মাজত থকা পাৰ্থক্য বৰ্ণনা কৰা। 3+4=7

Explain the sub-division of ledger. Distinguish between Journal and Ledger.

**( Additional 20 marks for 2023 Batch )**

**8.** (*a*) GAAPৰ গঠন ব্যাখ্যা কৰা। 10

Explain the structure of GAAP.

অথবা / *Or*

(*b*) হিচাপকৰণত IFRSৰ প্ৰাসঙ্গিকতা বিস্তৃতভাৱে ব্যাখ্যা কৰা।

Explain in detail the relevance of IFRS in accounting.

**9.** (*a*) অশোক কুমাৰৰ তলত দিয়া 31 মাৰ্চ, 2023 তাৰিখত উদ্বৃত্ত-মিলনপত্ৰ আৰু অন্যান্য অতি তথ্যৰ পৰা 31 মাৰ্চ, 2023 তাৰিখত অন্তপৰা বছৰটোৰ বাবে এখন ব্যৱসায়িক আৰু লাভ-লোকচান হিচাপ আৰু উক্ত তাৰিখত এখন উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা : 10

From the following Trial Balance of Ashok Kumar as of 31st March, 2023 and the additional information, prepare

a Trading and Profit & Loss A/c for the year ended 31st March, 2023 and a Balance Sheet as of that date :

*উদ্বৃত্ত মিলনপত্ৰ / Trial Balance*

| *বিৱৰণ* *Particulars* | টকা ₹ | *বিৱৰণ* *Particulars* | টকা ₹ |
|---|---|---|---|
| আৰম্ভণি মজুত পণ্য Opening Stock | 20,000 | বিক্ৰয় Sales | 1,60,000 |
| ক্ৰয় Purchases | 1,40,000 | দিবলগীয়া বিল Bills Payable | 14,000 |
| ক্ৰয়জনিত পৰিবহণ Carriage Inwards | 4,000 | ক্ৰয় ফেৰৎ Purchase Returns | 20,000 |
| বিক্ৰয়জনিত পৰিবহণ Carraige Outwards | 2,000 | পাওনাদাৰ Creditors | 1,000 |
| মজুৰি Wages | 10,000 | বিবিধ প্ৰাপ্তি Sundry Receipts | 1,000 |
| কয়লা আৰু গেছ Coal and Gas | 2,000 | অনুদ্ধাৰণীয় ঋণৰ পুনৰ প্ৰাপ্তি Bad Debts Recovered | 1,000 |
| দৰমহা Salaries | 12,000 | সুত প্ৰাপ্তি Interest Received | 1,000 |
| কাৰ্যালয়ৰ খৰচ Office Expenses | 3,000 | ঋণ Loan | 10,000 |
| বাট্টা Discount | 1,000 | মূলধন Capital | 73,000 |
| দেনাদাৰ Debtors | 48,000 | দস্তুৰি প্ৰাপ্তি Commission Received | 4,000 |
| অনুদ্ধাৰণীয় ঋণ Bad Debts | 2,000 | | |
| যন্ত্ৰপাতি Machinery | 20,000 | | |



( Continued )

| বিৱৰণ *Particulars* | টকা ₹ | বিৱৰণ *Particulars* | টকা ₹ |
|---|---|---|---|
| হাতত থকা নগদ ধন Cash in Hand | 3,000 | | |
| বেংকত থকা নগদ ধন Cash at Bank | 4,000 | | |
| আচবাব Furniture | 12,000 | | |
| আহৰণ Drawing | 2,000 | | |
| | 2,85,000 | | 2,85,000 |

সংযোজনসমূহ :

*Adjustments* :

*(i)* 31 মাৰ্চ, 2023 তাৰিখত সামৰণি মজুত পণ্য হ'ল 60,000 টকা

Closing Stock as of 31st March, 2023 was ₹ 60,000

*(ii)* অৱচয় তলত দিয়া ধৰণে প্ৰদান কৰিব লাগিব :

Depreciation is to be provided as follows :

যন্ত্ৰপাতিৰ ওপৰত 10%

On Machinery @ 10%

আচবাবৰ ওপৰত 5%

On Furniture @ 5%

(iii) অপ্ৰদত্ত দৰমহা—4,000 টকা আৰু অগ্ৰিম প্ৰদত্ত মজুৰি—2,000 টকা

Outstanding Salaries—₹ 4,000 and Prepaid Wages—₹ 2,000

অথবা / *Or*

(b) অৱচয় বৰ্ণনা কৰা। অৱচয় প্ৰদানৰ দুটা পদ্ধতি উল্লেখ কৰা। স্থায়ী সম্পত্তিৰ মূল্য হ্ৰাসৰ কাৰণৰ উপাদানসমূহ কি কি? 2+2+6=10

Define depreciation. State the two methods of providing depreciation. What are the contributory factors for decline in the value of fixed assets?

Paper : GECCOM1B

**( Marketing for Beginners )**

**1.** তলৰ প্ৰশ্নবিলাকৰ উত্তৰ দিয়া : 1×8=8

Answer the following questions :

*(a)* প্ৰফেচৰ ফিলিপ কট্‌লাৰৰ মতে, বজাৰকৰণৰ আটাইতকৈ পুৰণি ধাৰণাটো কি ?

According to Prof. Philip Kotler, which is the oldest concept of marketing?

*(b)* বজাৰ খণ্ডিতকৰণৰ এটা অসুবিধা উল্লেখ কৰা।

Mention one demerit of market segmentation.

*(c)* ক্ৰেতা আৰু গ্ৰাহকৰ মাজত থকা এটা পাৰ্থক্য লিখা।

Write one difference between Buyer and Consumer.

*(d)* PLC-ৰ সম্পূৰ্ণ ৰূপটো কি ?

What is the full form of PLC?

*(e)* প্ৰচাৰৰ এটা উদাহৰণ দিয়া।

Give one example of publicity.

*(f)* পণ্য শ্ৰেণী বুলিলে তুমি কি বুজা ?

What do you mean by product line?

(g) মূল্য নিৰ্ধাৰণ সিদ্ধান্তৰ এটা অসুবিধা লিখা।
Write one problem of pricing decision.

(h) লেবেলকৰণৰ এটা উপকাৰিতা উল্লেখ কৰা।
Mention one merit of labeling.

**2.** তলত দিয়াবোৰৰ চমু টোকা লিখা : 4×3=12
Write short notes on the following :

(a) সম্বোধনকৰণ
Targeting

(b) দ্ৰব্য ৰেখা সিদ্ধান্ত
Product line decision

(c) লজিষ্টিক ব্যৱস্থাপনা
Logistic management

**3.** (a) বিপণন কি? বিপণন মিশ্ৰণৰ ক্ষেত্ৰত আধুনিক বিপণনকাৰীয়ে কি কি প্ৰত্যাহ্বানৰ সন্মুখীন হয়? 2+8=10
What is marketing? What are the challenges faced by modern marketers in marketing mix?

অথবা / Or

(b) বজাৰকৰণৰ বিভিন্ন ধাৰণাৰ উল্লেখ আৰু ব্যাখ্যা কৰা। 10
State and explain the different concepts of marketing.

4. (a) নতুন পণ্য বুলিলে তুমি কি বুজা? নতুন পণ্য উন্নয়নৰ প্ৰক্ৰিয়াৰ বিষয়ে ব্যাখ্যা কৰা। 2+8=10

What do you mean by new product? Explain the process of new product development.

অথবা / *Or*

(b) চিহ্নিতকৰণ আৰু টোপোলাকৰণ কি? চিহ্নিতকৰণ আৰু টোপোলাকৰণৰ আৱশ্যকতাসমূহ লিখা। 2+2+6=10

What are branding and packaging? Write the importances of branding and packaging.

5. (a) মূল্য কি? এটা ব্যৱসায় সংগঠনৰ মূল্য নিৰ্ধাৰণৰ উদ্দেশ্যসমূহ কি কি? 2+8=10

What is price? What are the objectives of pricing of a business organization?

অথবা / *Or*

(b) মূল্য নিৰ্ধাৰণৰ কৌশল কি? এটা ব্যৱসায় সংগঠনৰ মূল্য নিৰ্ধাৰণৰ বিভিন্ন কৌশলসমূহ ব্যাখ্যা কৰা। 2+8=10

What is pricing strategy? Explain different pricing strategies of a business organization.

6. (a) বজাৰৰ প্ৰসাৰ বুলিলে তুমি কি বুজা? বজাৰৰ প্ৰসাৰ আৰু বিক্ৰীৰ প্ৰসাৰৰ মাজত থকা পাৰ্থক্যসমূহ নিৰ্ণয় কৰা। 2+8=10

What do you mean by market promotion? Distinguish between Market Promotion and Sales Promotion.

অথবা / Or

(b) বিতৰণ প্ৰণালীৰ প্ৰকৃতি সম্পৰ্কে লিখা। শাৰীৰিক বিতৰণৰ বিভিন্ন প্ৰণালীসমূহ কি কি? 2+8=10

Write the nature of physical distribution channels. What are the various channels of physical distribution?

**( Additional 20 marks for 2023 Batch )**

7. (a) বজাৰকৰণ মিশ্ৰণৰ প্ৰধান উপাদানসমূহ ব্যাখ্যা কৰা। 10

Explain the main components of marketing mix.

অথবা / Or

(b) তলত দিয়াসমূহ আলোচনা কৰা : 5+5=10

Discuss the following :

(i) বজাৰ খণ্ডিতকৰণ

Market segmentation

(ii) বজাৰকৰণৰ ব্যৱস্থাপনা

Marketing management

8. (a) মূল্য নিৰ্ধাৰণৰ কৌশলত প্ৰভাৱ বিস্তাৰ কৰা আভ্যন্তৰীণ আৰু বাহ্যিক উপাদানসমূহ ব্যাখ্যা কৰা। 10

Explain the internal and external forces that influence the pricing strategy of a product.

অথবা / *Or*

(b) বজাৰ বৰ্ধিতকৰণৰ বিভিন্ন উপাদানসমূহ ব্যাখ্যা কৰা।

Explain the different elements of market promotion.

Paper : GECCOM1C

**( Basics of Human Resource Management )**

1. (a) তলত দিয়া উক্তিসমূহ শুদ্ধ নে অশুদ্ধ লিখা : 1×3=3

State whether the following statements are True or False :

(i) বৰ্তমান মানৱ সম্পদ পৰিচালনা এক সক্ৰিয় প্ৰকৃতিৰ ।

At present, human resource management is a proactive in nature.

(ii) ডেল্ফি কৌশল মানৱ সম্পদ পৰিচালনাৰ চাহিদা অনুমানৰ বাবে ব্যৱহাৰ কৰা হয় ।

Delphi technique is used for estimating demand of human resource management.

(iii) মানৱ সম্পদ পৰীক্ষণে সংগঠনৰ মানৱ সম্পদৰ খৰচ আৰু মূল্য নিৰ্ধাৰণ কৰে ।

HR audit measures the cost and value of the human resources to the organization.

(b) উপযুক্ত শব্দেৰে খালী ঠাই পূৰ কৰা : 1×3=3

Fill in the blanks with appropriate word(s) :

(i) প্ৰশিক্ষণ কাৰ্যসূচীৰ সময়সীমা _____ নীতিৰ এটা অংশ।

Time span of training programmes is a part of _____ policies.

(ii) _____ সংগঠনত উন্নত মানৰ সম্পৰ্ক বৃদ্ধি কৰাত সহায় কৰে।

_____ helps to increased better human relations in the organizations.

(iii) প্ৰতিক্ৰিয়া প্ৰকাশ _____ মডেলৰ শেষ উপাদান।

Feedback is the last component of _____ model.

2. তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিয়া :

Answer the following questions :

(a) নিযুক্তি দৰ্শনৰ প্ৰকাৰসমূহ উল্লেখ কৰা। 1

Mention the types of recruitment philosophies.

(b) প্ৰশিক্ষণৰ দুটা মূল্যায়ন কৌশল উল্লেখ কৰা। 1

Mention two techniques of evaluation of training.

(c) তত্ত্বাবধায়ক কৰ্মচাৰী কোন? উদাহৰণ দিয়া। 2

Who are the supervisory employees? Give examples.

(d) আণ্ডাৰস্টাদি কি? 2

What is understudy?

3. তলত দিয়াবোৰৰ চমু টোকা লিখা : 4+4=8

Write short notes on the following :

(a) প্ৰক্ষেপিত পৰীক্ষণ

Projective Test

(b) প্ৰশিক্ষণ বনাম শিক্ষা

Training vs. Education

4. (a) মানৱ সম্পদ পৰিচালনা বুলিলে কি বুজা? মানৱ সম্পদ পৰিচালনাৰ প্ৰাথমিক নীতিসমূহ ব্যাখ্যা কৰা। 3+7=10

What do you mean by human resource management? Discuss the basic principles of human resource management.

অথবা / Or

(b) “মানৱ সম্পদ পৰিচালনা এক কৰ্মচাৰীৰ কাৰ্যাৱলী কিন্তু লাইন দায়িত্ব।” ব্যাখ্যা কৰা। 10

“Human resource management is a staff function but a line responsibility.” Explain.

5\. (a) এটা ব্যৱসায় সংগঠনৰ মানৱ সম্পদ পৰিকল্পনা প্ৰস্তুতকৰণৰ সময়ত তুমি বিবেচনা কৰিবলগীয়া বিষয়সমূহ আলোচনা কৰা। 10

Discuss the points you have consider in preparing human resource planning for a business organization.

অথবা / Or

(b) মানৱ সম্পদ পৰিকল্পনা বুলিলে তুমি কি বুজা? মানৱ সম্পদ পৰিকল্পনাৰ উদ্দেশ্যসমূহ আলোচনা কৰা।

What do you mean by human resource planning? Discuss the objectives of human resource planning.

6\. (a) ব্যৱসায় প্ৰতিষ্ঠানত নিযুক্তিৰ উৎসসমূহ কি কি? নিযুক্তিৰ আভ্যন্তৰীণ উৎস আৰু ইয়াৰ সুবিধাসমূহ ব্যাখ্যা কৰা। 3+7=10

What are the sources of recruitment in business firm? Explain the internal sources of recruitment and its advantages.

অথবা / *Or*

(*b*) সাক্ষাৎকাৰ কেনেকৈ অধিক ফলপ্ৰসূ কৰি তুলিব পাৰি? প্ৰকাৰ নিৰ্বিশেষে সাক্ষাৎকাৰৰ অন্তৰ্নিহিত সমস্যাসমূহ কি কি? 5+5=10

How interviews be made more effective? What are the inherent problems of interviews regardless of their types?

**7.** (*a*) প্ৰশিক্ষণ কৌশলৰ শ্ৰেণী বিভাজনৰ ভিত্তি কি? প্ৰশিক্ষণৰ মূল কৌশলবিলাক উল্লেখ কৰা। প্ৰশিক্ষণৰ অন-দ্য-জব কৌশলৰ প্ৰকাৰৰ বিষয়ে আলোচনা কৰা। 1+3+6=10

What is the basis for classification of training techniques? Mention the main techniques of training. Discuss about the types of on-the-job training techniques of training.

অথবা / *Or*

(*b*) প্ৰশিক্ষণৰ সংজ্ঞা দিয়া। শুদ্ধভাৱে প্ৰশিক্ষণৰ প্ৰয়োজনীয়তা বিশ্লেষণ কৰাৰ বাবে কেইটামান পৰামৰ্শ আগবঢ়োৱা। 2+8=10

Define training. Suggest tips for conducting training needs analysis accurately.

**( Additional 20 marks for 2023 Batch )**

**8.** *(a)* মানৱ সম্পদ পৰিচালনাৰ সামাজিক উদ্দেশ্যৰ বিষয়ে আলোচনা কৰা। 5

Discuss the social objectives of human resource management.

অথবা / *Or*

*(b)* মানৱ সম্পদ পৰিচালকৰ ভূমিকা ব্যাখ্যা কৰা।

Explain the role of HR manager.

**9.** *(a)* "সাম্প্রতিক সময়ত মানৱ সম্পদ পৰিকল্পনাৰ বৃহৎ প্ৰাসংগিকতা আছে।" মতামত দিয়া। 5

"Human resource planning has greater relevance in the present-day context." Comment.

অথবা / *Or*

*(b)* মানৱ সম্পদ পৰিকল্পনাৰ প্ৰয়োজনৰ দুটা কাৰণ ব্যাখ্যা কৰা।

Explain any two causes for need of human resource planning.

**10.** *(a)* নিযুক্তি প্ৰক্ৰিয়াৰ সীমাবদ্ধতাসমূহ আলোচনা কৰা । 5

Discuss the constraints of recruitment process.

অথবা / *Or*

*(b)* পৰিস্থিতিগত পৰীক্ষাৰ ওপৰত এটি টোকা লিখা ।

Write a detailed note on situational test.

**11.** *(a)* প্ৰশিক্ষণৰ পাঁচটা নীতি উল্লেখ কৰা । 5

Mention five principles of training.

অথবা / *Or*

*(b)* শিকণৰ ধাৰণাটো স্পষ্ট কৰা ।

Elucidate the concept of learning.

Paper : GECCOM1D

**( Introduction to Banking )**

**1.** তলত দিয়াবোৰৰ খালী ঠাই পূৰ কৰা : 1×4=4

Fill in the blanks of the following :

*(a)* _____ চনত 'বেংক অফ্ বোম্বে' প্ৰতিষ্ঠা কৰা হৈছিল।

'Bank of Bombay' was established in the year _____.

*(b)* RBI ৰ মুখ্য কাৰ্যালয় _____ত অৱস্থিত।

RBI's Head Office is located at _____.

*(c)* _____য়ে ধনৰ বাস্তৱ সময়ৰ নিষ্পত্তি প্ৰদান কৰে।

_____ provides real-time settlement of funds.

*(d)* অধিবিকৰ্ষ সুবিধা _____ হিচাপ ধাৰকক আগবঢ়োৱা হয়।

Overdraft facility is provided to _____ Account holders.

**2.** তলত দিয়াবোৰৰ যি কোনো **চাৰিটাৰ** ওপৰত চমু টোকা লিখা : 4×4=16

Write short notes on any *four* of the following :

*(a)* অনুসূচিত বেংক

Scheduled Bank

(b) ভাৰতীয় ষ্টেট বেংকৰ বিৱৰ্তন

Evolution of State Bank of India

(c) কে. ৱাই. চি.

KYC

(d) ট্ৰাষ্টী হিচাপে বেংকৰ কাৰ্য

Functions of a bank as trustee

(e) ই-বেংকিং

E-Banking

(f) এন. ই. এফ. টি.

NEFT

3. (a) বেংকৰ সংজ্ঞা দিয়া। বাণিজ্যিক বেংকৰ কাৰ্যসমূহ আলোচনা কৰা। 2+8=10

Define bank. Discuss the functions of a commercial bank.

অথবা / Or

(b) ভাৰতীয় বেংকিং ব্যৱস্থাৰ গাঁথনিৰ বিষয়ে আলোচনা কৰা। 10

Discuss about the structure of Indian Banking System.

4. (a) বৰ্তমান সময়ত বেংকৰ গৌণ কাৰ্য আৰু সেৱাৰ বিষয়ে ব্যাখ্যা কৰা। 10

Explain about the secondary functions and services of a bank in the present time.

অথবা / Or

(b) বেংক একাউন্ট বন্ধ কৰাৰ পদ্ধতি আৰু একাউন্ট অন্য বেংক/শাখালৈ হস্তান্তৰ কৰাৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা। 5+5=10

Explain briefly about the procedures of closure of Bank Account and transfer of account to other bank/branch.

5. (a) পাছ বুক আৰু চেক বুকৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা। 5+5=10

Discuss the features of a passbook and a cheque book.

অথবা / Or

(b) বেংকে প্ৰদান কৰা বিভিন্ন ধৰণৰ ঋণ আৰু অগ্ৰিম ধনৰ বিষয়ে ব্যাখ্যা কৰা। 10

Explain about various types of loans and advances provided by a bank.

6. *(a)* বেংকৰ জৰিয়তে ধন প্ৰেৰণৰ বিভিন্ন পদ্ধতিসমূহৰ বিষয়ে ব্যাখ্যা কৰা। 10

Explain the various methods of remittances of money through banks.

অথবা / *Or*

*(b)* ডেবিট কাৰ্ড আৰু ক্ৰেডিট কাৰ্ডৰ মাজৰ পাৰ্থক্য ব্যাখ্যা কৰা।

Explain the differences between Debit Card and Credit Card.

**( Additional 20 marks for 2023 Batch )**

7. *(a)* ভাৰতত বেংকৰ ক্ৰমবিকাশৰ বিষয়ে এটি টোকা লিখা। 10

Write a note on the evolution of banking in India.

অথবা / *Or*

*(b)* বিভিন্ন ধৰণৰ বেংকৰ জমা হিচাপৰ ওপৰত এটা টোকা লিখা।

Write a note on various types of deposit accounts.

**8.** *(a)* এটা বেংক একাউণ্ট খোলাৰ পদ্ধতি আলোচনা কৰা। 10

Discuss the procedure of opening a Bank Account.

*অথবা / Or*

*(b)* ইন্টাৰনেট বেংকিংৰ সুবিধা আৰু অসুবিধাসমূহ আলোচনা কৰা। 7+3=10

Discuss the advantages and dis-advantages of Internet banking.

★★★